# অসম আদিত্য

অসম আদিত্য, ডিব্ৰুগড় মঙলবাৰ, ১৭ জানুৱাৰী, ২০২৩ ২ মাঘ, ১৯৪৪ শক


# কানৈ কলেজত বাৰেৰহণীয়া জনগোষ্ঠীয় সাংস্কৃতিক মিলন সমাৰোহ সম্পন্ন

ডিব্ৰুগড়, ১৬ জানুৱাৰী ঃ ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় প্ৰাংগণত ডিব্ৰুগড় সাহিত্য সভা, ডি এইচ এছ কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা আৰু এন এল বি চিটি মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ যৌথ উদ্যোগত ১৩ জানুৱাৰীৰ সন্ধিয়া ৫ বজাৰ পৰা 'ভোগালীৰ আদৰণি প্ৰথম বাৰ্ষিক জনগোষ্ঠীয় সাংস্কৃতিক সমাৰোহ' শীৰ্ষক সকলো জাতি-জনগোষ্ঠীৰ এক বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। নিয়ন লাইটৰ পোহৰত কানৈ মহাবিদ্যালয়ৰ সেউজীয়া দলিচাত জুইৰ উত্তাপত সাতভনী নৃত্যৰে অশুভাৰম্ভ হোৱা অনুষ্ঠানটোৰ উদ্বোধন কৰে বিশিষ্ট লেখিকা, সাহিত্যিক তথা এন এল বি চিটি মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপিকা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ জ্যোতি বৰগোহাঁয়ে। ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই আঁত ধৰা অনুষ্ঠানটোত দেউৰী, টাই, বড়ো, তিৱা, বেংগলী, মিচিং, সোনোৱাল কছাৰী, চাহ জনগোষ্ঠী, চুতীয়া, পাঞ্জাৱী, ভোজপুৰী, ৰাজস্থানী, গোৰ্খা আদিকে ধৰি ১৫ টাৰো অধিক সম্প্ৰদায়ৰ নিজ নিজ লোক-সংস্কৃতি পৰিবেশন কৰি উপস্থিত সকলোকে আপ্লুত কৰে। অনুষ্ঠানটোৰ আঁত ধৰি অধ্যক্ষগৰাকীয়ে কয়— অসমৰ সকলো জাতি-জনগোষ্ঠীৰ মাজত সম্পৰ্কৰ এনাজৰী কটকটীয়া কৰাৰ উদ্দেশ্যেৰে পোন প্ৰথমবাৰৰ বাবে এই অনুষ্ঠান অনুষ্ঠিত কৰা হয়। নিজ নিজ জাতি-জনগোষ্ঠীৰ পোছাক পৰিধান কৰি নৃত্য, গীত পৰিৱেশন কৰা অতি উপভোগ্য অনুষ্ঠানটোত এন এল বি চিটি মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সঞ্জীৱানন্দ বৰগোহাঁই, ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল গোহাঁই, বিশিষ্ট শিল্পী চন্দন পাঠক, অধ্যাপক শোহনলাল যাদৱ, যাদৱ গগৈ, অচ্যুৎ দেউৰী, ড০ নিৰ্মালি পেগু, সমাজকৰ্মী অমল শইকীয়া, সুনীল গগৈ, যুৱনেতা উদয়ন গগৈ, শিল্পী ৰুবী গগৈ সন্দিকৈ, বিহুৱা জিতেন দাস, সংগীত শিল্পী ভূবন গগৈ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড০ ভূপেন হাজৰিকা পৰিবেশ্য কলা কেন্দ্ৰৰ অধ্যাপিকা ৰূপলেখা বৰৰবা, সংগীত শিল্পী বিউটি লেখাৰু, অধ্যাপিকা উৰ্মিলা ৰামছিয়াৰী, নিৰ্মলকান্তি শীলকে ধৰি বহুসংখ্যক গণ্য-মান্য ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটোত ডিব্ৰুগড় জিলাৰ বিভিন্ন প্ৰান্তৰ প্ৰায় পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলে। উল্লেখ্য যে অনুষ্ঠানটোত উপস্থিত সকলো ৰাইজক বিহুৰ পিঠা-চাহেৰে আপ্যায়ন কৰা হয়।

